পৃথিৱীখন বৰ্তমানতকৈ অধিক শান্তিপূৰ্ণ আৰু সুৰক্ষিত কৰাৰ বাবে যথাসম্ভৱ সকলোখিনি জি জিন পিং আৰু মই কৰিম।

— নৱনিৰ্বাচিত মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প


নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ফোন নং: ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ৬৬ শনিবাৰ ৪ মাঘ ১৯৪৬ শক ১৮ জানুৱাৰী ২০২৫ চন ASOMIYA KHABAR JORHAT SATURDAY 18 JANUARY 2025 দাম: ৭.০০ টকা




## কানৈ মহাবিদ্যালয়ৰ সেউজীয়া বাকৰিত উমাল এসন্ধ্যা সম্পন্ন

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ জানুৱাৰী : অসমৰ ভাষা-সংস্কৃতি, পৰম্পৰা-উৎসৱ পাহৰিলে নহ'ব। জাতিক সচেতন, সজাগ আৰু সক্ৰিয় কৰি তুলিবলৈকে ভাষা-সংস্কৃতি, পৰম্পৰাক গুৰুত্ব দিব লাগিব। অসম আৰু অসমীয়াক জীয়াই ৰাখিবলৈ ভাষা-সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখিব লাগিব। নতুন প্ৰজন্মক ভাষা-সংস্কৃতিক শ্ৰদ্ধা জনাবলৈ পৰিৱেশ ৰচনা কৰিব লাগিব। স্কটলেণ্ডত বিগত পঞ্চাশ বছৰে বসবাস কৰিও অসমৰ ভাষা-সংস্কৃতিৰ নিৰন্তৰে সেৱা কৰি অহা প্ৰৱাসী অসমীয়া, স্নেহবন্ধনৰ উপ-সভাপতি, অসম সাহিত্য সভাৰ যুক্তৰাষ্ট্ৰ শাখাৰ উপ-সভাপতি, স্কটলেণ্ডত বিশেষভাৱে সন্মানীত শিক্ষয়িত্ৰী নিৰলা বৰুৱাই এইদৰে কয়। ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ চৌহদৰ সেউজীয়া বাকৰিত মাঘ বিহু উপলক্ষে অনুষ্ঠিত হোৱা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি বৰুৱাই কয়, দীৰ্ঘদিনৰে পৰা কানৈ মহাবিদ্যালয় চোৱাৰ হেঁপাহ আছিল। সেই হেঁপাহ পূৰণ কৰিবলৈকে মহাবিদ্যালয়খনত আহি এক অনাবিল আনন্দ লাভ কৰা বুলি উল্লেখ কৰি কয়, মহাবিদ্যালয়খনে নিয়মীয়া পাঠ্যক্ৰমৰ উপৰি নতুন প্ৰজন্মক ভাষা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ই স্বাভাৱিকতে প্ৰশংসাৰ যোগ্য বুলি উল্লেখ কৰি কয়, এনে এক সুন্দৰ অনুষ্ঠানত স্কটলেণ্ডৰ পৰা পোনে পোনে ডিব্ৰুগড়ত উপস্থিত হৈ ভাগ ল'বলৈ আহিছে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ এনে প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰি কয়, শিশুৰ পৰা বৃদ্ধলৈকে সকলোকে সমৱেত কৰি মাঘ বিহুৰ পৰম্পৰা ৰক্ষা কৰাত আগভাগ লৈছে। ই এক প্ৰতিভা বিকাশৰ মঞ্চ বুলি উল্লেখ কৰি তেওঁ কয়, এনেদৰে সকলোৱে সমৱেত হৈ ঐক্যবদ্ধভাৱে ভাষা-সংস্কৃতিৰ হৈ কাম কৰি গ'লে অসমীয়াৰ পৰম্পৰা, উৎসৱ কেতিয়াও লুপ্ত নহয়। উল্লেখ্য যে কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ডিব্ৰুগড় জিলা মইনা পাৰিজাত, চাবুৱাৰ কালাৰ্চ ইনষ্টিটিউট, ডিব্ৰুগড় ব্ৰহ্মপুত্ৰ সংগীত বিদ্যালয়ৰ উদ্যোগত ১২ জানুৱাৰীৰ সন্ধিয়া ৫ বজাৰ পৰা এনে বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। কেইবা শতাধিক শিশু, মইনা, যুৱক-যুৱতী আৰু বৃদ্ধসকলেও ভাগ লোৱা অনুষ্ঠানটো উদ্বোধন কৰে ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ উপ-সভাপতি হিৰণ্য সেনাপতিয়ে। অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই। আবৃতা লীজা পাঠকে আঁতধৰা অনুষ্ঠানত কালাৰ্চ ইনষ্টিটিউটৰ তৰফৰ পৰা পিংকী সোণোৱাল, ধৰিত্ৰী দিহিঙীয়া, কুঁৱলী লেখাৰু শইকীয়াই বিহু প্ৰদৰ্শন, অংকুৰণ, মিলিজুলি মইনা পাৰিজাতৰ মইনাসকলে বিহু প্ৰদৰ্শন, ব্ৰহ্মপুত্ৰ সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে বিহু প্ৰদৰ্শন, কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক ভুৱন পেগুৱে গীত পৰিৱেশন, নৱনীতা কলিতাৰ বিহু নৃত্য পৰিৱেশন, ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সাংস্কৃতিক সম্পাদক ৰাজীৱ ফুকনৰ সুন্দৰ ঢোল বাদনেৰে কাৰ্যসূচী মননশীল কৰি তোলা অনুষ্ঠানত ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সম্পাদক মামণি শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি এনে অনুষ্ঠানে নৱ-প্ৰজন্মক অনুপ্ৰাণিত কৰে বুলি কয়। চাবুৱা কালাৰ্চ ইনষ্টিটিউটৰ পৰিচালন সঞ্চালক অমল শইকীয়া, ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী, ৰাজ্যিক কৃতী শিক্ষয়িত্ৰী, প্ৰাক্তন কানৈয়ান, জনপ্ৰিয় সংগীত শিল্পী বিউটি লেখাৰু শইকীয়াই নতুন প্ৰজন্মৰ বাবে সকলোৱে এনেদৰে কাম কৰি যোৱা উচিত বুলি কয়। একেটা অনুষ্ঠানতে নাট্যশিল্পী, প্ৰশিক্ষক নলবাৰীৰ কৰণ দাসকো উদ্যোক্তাসকলে ফুলাম গামোচা পিন্ধাই সম্বৰ্ধনা জনায়। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী, নৃত্য বিষাৰদ, চন্দন কলিতা, সাহিত্যিক দীপিকা গগৈ, পাপৰি গগৈ, দীপিকা বৰাকে প্ৰমুখ্য কৰি কানৈ মহাবিদ্যালয়ৰ কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা, অনেক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।